# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-MAY-2026 **Time :** 11.00 Hrs

জ্যেষ্ঠ বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা এন ডি এ শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰীসকলৰ লগতে বিজেপিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকিব বুলি ৰাজ্যিক বিজেপিৰ সূত্ৰই প্ৰকাশ কৰিছে।

শপতগ্ৰহণ অনুষ্ঠানৰ বাবে কামৰূপ মহানগৰ জিলাত যানবাহন নিয়ন্ত্ৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশ অনুসৰি কাইলৈ পুৱা ৯ বজাৰ পৰা দুপৰীয়া ২ বজালৈ কইনাধৰাৰ পৰা বিমান বন্দৰলৈ গধূৰ আৰু ধীৰ গতিৰ বাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ থাকিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণক এবছৰলৈ সোণ ক্ৰয় নকৰিবলৈ, পেট্ৰ'ল আৰু ডিজেলৰ ব্যৱহাৰত মিতব্যয়ী হ'বলৈ আৰু বিদেশী মুদ্ৰা জমা ৰাখিবলৈ আহ্বান জনাইছে। হায়দৰাবাদত কালি এটা জনসমাৱেশত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে পশ্চিম এছিয়াৰ যুদ্ধই পেলোৱা প্ৰভাৱ সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। শ্ৰী মোদীয়ে ঘৰৰ পৰা কাম কৰা অৰ্থাৎ ৱৰ্ক ফ্ৰম হোম, অনলাইন আলোচনা, ভিডিঅ' কনফাৰেন্সৰ দৰে ব্যৱস্থাসমূহ পুনৰ গ্ৰহণৰ বাবে আহ্বান জনায়। পশ্চিম এছিয়াৰ সংঘৰ্ষ তথা হৰমুজ প্ৰণালীৰে তেল পৰিবাহী আৰু বাণিজ্যিক জাহাজৰ চলাচলত বাধা আৰোপৰ পৰিপ্ৰেক্ষিতত বিশ্বজুৰি খনিজ তেলৰ দাম প্ৰতি বেৰেলত ৭০ ডলাৰৰ পৰা প্ৰায় ১২৬ ডলাৰলৈ বৃদ্ধি পোৱাৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীৰ প্ৰতি এই আহ্বান জনাইছে। শ্ৰী মোদীয়ে লগতে জনসাধাৰণক খোৱা তেলৰ ব্যৱহাৰ কমোৱাৰ লগতে কৃষকসকলক বিদেশৰ পৰা ৰপ্তানি কৰা ৰাসায়নিক সাৰৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ আহ্বান জনায়। পুনৰ আমদানিত বৃহৎ পৰিমাণৰ বিদেশী মুদ্ৰা ব্যৱহাৰ হয় বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে অহা এবছৰলৈ সোণ ক্ৰয় নকৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

ooooooo

ৰাজ্যৰ পাঁচগৰাকী বিশিষ্ট সাহিত্যিকলৈ ২০২৫ বৰ্ষৰ অসম সাহিত্য সভাৰ সভাপতিৰ বিশেষ সন্মান আগবঢ়োৱা হৈছে। অহা ১৬ মে'ত গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত হ'বলগীয়া এটা অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই জনোৱা মতে সাহিত্য সভাৰ সাংবিধানিক এই সন্মান এইবাৰ ধেমাজিৰ বিশিষ্ট গৱেষক, চিত্ৰকৰ, লেখক, ড০ পুষ্প গগৈ, ডিব্ৰুগড়ৰ চাহ খেতিয়ক তথা সাহিত্যিক দেৱী প্ৰসাদ বাগ্ৰোদিয়া, নগাঁৱৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা

সাহিত্যিক উপেন্দ্ৰ বৰকটকী, গুৱাহাটীৰ বিশিষ্ট সাহিত্যিক তথা জ্যেষ্ঠ সাংবাদিক জিতুমণি বৰা আৰু বঙাইগাঁও জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিশিষ্ট লেখক, কবি তথা গৱেষক নোমল মাহাট্টালৈ আগবঢ়োৱা হৈছে।

ooooooooo

কেন্দ্ৰীয় চৰকাৰে অষ্টম দৰমহা আয়োগত অনুমোদন জনাইছে। অহা বছৰ কাৰ্যকৰী হোৱাৰ সম্ভাৱনা থকা অষ্টম দৰমহা আয়োগৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ বেতন উল্লেখনীয়ভাৱে বৃদ্ধি পাব। এই অনুসৰি কৰ্মচাৰীসকলৰ মূল বেতন ৫০ হাজাৰ টকা হোৱাৰ সম্ভাৱনা আছে। পৰিসংখ্যা অনুসৰি প্ৰথম দৰমহা আয়োগৰ পৰা সপ্তম দৰমহা আয়োগৰ পৰ্যন্ত কৰ্মচাৰীসকলৰ বেতন ৩২৮ গুণ বৃদ্ধি পাইছে। অষ্টম দৰমহা আয়োগত কৰ্মচাৰীয়ে লাভ কৰা বিভিন্ন ভাট্টা বৃদ্ধিত গুৰুত্ব আৰোপ কৰা হৈছে। চলিত বছৰৰ পহিলা জানুৱাৰীৰ পৰা সময়সীমা নিৰ্ধাৰণেৰে অষ্টম দৰমহা আয়োগ অহা বছৰৰ পৰা কাৰ্যকৰী কৰাৰ সম্ভাৱনা আছে। এই সময়সীমাৰ বৰ্ধিত বেতন এৰিয়াৰ হিচাপে কৰ্মচাৰীসকলে লাভ কৰিব। পেন্সনপ্ৰাপ্ত লোকসকলেও অষ্টম দৰমহা আয়োগৰ সুফল লাভ কৰিব।

oooooooo

লখিমপুৰ জিলা শাখাৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৬ সংখ্যক অধিৱেশনৰ আদৰণি সমিতিৰ প্ৰথমখন কাৰ্যকৰী সভা কালি অনুষ্ঠিত হয়। এই সভাত মূল সমিতিৰ লগতে ৩৫ খন উপ-সমিতি গঠন কৰা হয়। এই উপ-সমিতিসমূহৰ সভাপতি, সম্পাদকসকলৰ উপস্থিতিত অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি চক্ৰধৰ সোণোৱালে সভাপতিত্ব কৰে। সভাত লখিমপুৰ জিলা সমিতিৰ সভাপতি প্ৰফুল্ল কোঁৱৰ আৰু সম্পাদক প্ৰবীণ নেওগসহ অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে অহা বৰ্ষৰ ৫, ৬ আৰু ৭ ফেব্ৰুৱাৰীত তিনিদিনীয়া কাৰ্যসূচীৰে সংঘৰ ৯৬ সংখ্যক অধিৱেশন নপাম অঞ্চলত অনুষ্ঠিত হ'ব।

oooooooo

আই পি এল ক্ৰিকেটক লৈ চলি থকা এটা অনলাইন জুৱা চক্ৰৰ বিৰুদ্ধে শিলচৰ আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই ৪ জন লোকক আটক কৰে। আৰক্ষীয়ে প্ৰথমে শিলচৰৰ দাস কলনী এলেকাত অভিযান চলায় ৩ জন লোকক আটক কৰাৰ লগতে কেইবাখনো বহী, ৭ টা ম'বাইল ফোন আৰু নগদ ধন জব্দ কৰে। ইয়াৰ পাছত আশ্ৰম ৰোড এলেকাত চলোৱা দ্বিতীয়টো অভিযানত আৰক্ষীয়ে নগদ ধন আৰু দুটা ম'বাইল ফোন সহ আন এজন লোকক আটক কৰে। ধৃত লোক কেইজনে দীৰ্ঘ দিন ধৰি অনলাইন এপৰ জৰিয়তে আই পি এল বাজি লগাই আহিছিল। জুৱা চক্ৰটোৰ আৰ্থিক লেন দেন ৫০ লাখ টকাৰো অধিক বুলি আৰক্ষীয়ে জনাইছে।

ooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ধৰমশালাত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰ ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা ৰায়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে, মুম্বাই ইণ্ডিয়ানছক ২ উইকেটত পৰাস্ত কৰে।

ooooo